# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 21-09-2025
**Time:** 12-05 Hrs

***Assamese Midday Bulletin***

সমগ্ৰ অসমজুৰি হাঁহাকাৰ আৰু অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰি আঁতৰি যোৱা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ পাৰ্থিৱ শৰীৰ বৰ্তমান বিমানবন্দৰৰ পৰা কাহিলীপাৰাৰ বাসগৃহ অভিমুখে লৈ অহা হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে আজি পুৱা প্ৰায় চাৰে ৬ বজাত এয়াৰ ইণ্ডিয়াৰ এখন বিমানেৰে শিল্পীগৰাকীৰ নশ্বৰদেহ গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰলৈ লৈ অনা হয়। চৌদিশে কেৱল হুমুনিয়াহ আৰু চকুলোৰ মাজত শিল্পীগৰাকীক অগণন জনতাই কাহিলিপাৰালৈ লৈ অনা পথত অশ্ৰু অঞ্জলি যাঁচিছে।

কাহিলিপাৰাৰ পৰা সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পলৈ তেওঁৰ নশ্বৰদেহ লৈ যোৱা হ'ব। জনসাধাৰণে প্ৰশাসনে নিৰ্ধাৰণ কৰা নীতি-নিৰ্দেশনা মানি প্ৰিয় শিল্পীক অন্তিমবাৰৰ বাবে দৰ্শন কৰিব পাৰিব। সৰুসজাই ষ্টেডিয়ামত আজি কোনো যান-বাহনৰ প্ৰৱেশৰ অনুমতি দিয়া হোৱা নাই। দৰ্শনাৰ্থীসকলে শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা জনোৱাৰ পাছত ষ্টেডিয়ামখনৰ ৩ নম্বৰ দুৱাৰেৰে ওলাই যাব পাৰিব। ইপিনে শিল্পীগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা জ্ঞাপনৰ বাবে যোৱা অগণন অনুৰাগীৰ সুবিধা হোৱাকৈ আজি ৰাষ্ট্ৰীয় ঘাইপথেৰে বাণিজ্যিক বাহনৰ চলাচল বন্ধ ৰখা হৈছে।

অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ সন্মানাৰ্থে কালিৰে পৰা তিনিদিনীয়া ৰাজ্যিক শোক ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সকলো চৰকাৰী মনোৰঞ্জনমূলক অনুষ্ঠান, আনুষ্ঠানিক কাৰ্যসূচী আৰু ৰাজহুৱা উৎসৱ স্থগিত ৰখা হৈছে।

ইয়াৰ আগেয়ে কালি সন্ধিয়া মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা নতুন দিল্লীলৈ ৰাওনা হয়। নিশা ছিংগাপুৰৰ পৰা শিল্পীগৰাকীক কঢ়িয়াই অনা বিমানখন নতুন দিল্লীৰ বিমান বন্দৰত অৱতৰণ কৰাৰ পাছত মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ লগতে বহুলোকে তেওঁক শিল্পীগৰাকীৰ গীত আওৰাই পুষ্পাৰ্ঘ্য অৰ্পণ কৰে। আজি পুৱাতেই জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গ বৰঝাৰ বিমান বন্দৰত উপস্থিত হয়। জুবিন গাৰ্গৰ পিতৃৰ অসুস্থতাৰ হেতুকে পৰিয়ালৰ লোকে শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়াৰ স্থান গুৱাহাটীৰ আশে-পাশে বিচাৰিছে বুলি প্ৰকাশ কৰা হৈছে। আজি সৰুসজাই ক্ৰীড়া প্ৰকল্পত গুণমুগ্ধসকলক পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ প্ৰিয় শিল্পীগৰাকীক শেষ দৰ্শনৰ সুবিধা দিয়াৰ কথা আছিল যদিও অভাৱনীয় জনসমাগমৰ পৰিপ্ৰেক্ষিতত বাসগৃহলৈ শিল্পীগৰাকীৰ পাৰ্থিৱ শৰীৰ আহি পোৱাত হ'ব পৰা বিলম্বৰ প্ৰতি লক্ষ্য ৰাখি এই সময়ৰ সালসলনি হোৱাৰ সম্ভাৱনা আছে।

সমগ্ৰ মহানগৰী শিল্পীগৰাকীক অন্তিমবাৰৰ বাবে শ্ৰদ্ধা জনোৱাৰ বাবে লোকাৰণ্য হৈ পৰাৰ পৰিপ্ৰেক্ষিতত প্ৰশাসনে সকলোকে সংযম বজাই ৰাখি চলিবলৈ আহ্বান জনাইছে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈয়ে জুবিন গাৰ্গৰ অন্তিম যাত্ৰা শান্তিপূৰ্ণ কৰি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

ৰাজ্য চৰকাৰে আজি সন্ধিয়া শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া সন্দৰ্ভত এখন কেবিনেট বৈঠক আহ্বান কৰিছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয়, যে জুবিন গাৰ্গৰ মৃত্যুৰ বিষয়টোৰ বিশদ অনুসন্ধানৰ বাবে তেওঁ ছিংগাপুৰৰ উচচায়ুক্ত চাইমন ৱঙৰ সৈতে কথা পাতিছে। উচ্চায়ুক্তগৰাকীয়ে এইক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতাৰ আশ্বাস দিছে বুলি তেওঁ প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ দায়িত্ব চি আই ডিক অৰ্পণ কৰিছে। এই ঘটনা সন্দৰ্ভত

কেইবাখনো থানাত ৰুজু হোৱা গোচৰ তদন্তৰ বাবে চি আই ডিক অৰ্পণ কৰা হয়। মুখ্যমন্ত্ৰীয়ে নৰ্থ ইষ্ট ফেষ্টিভেলৰ আয়োজক শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মা তদন্তৰ আওতালৈ আহিব বুলি মন্তব্য কৰে।

জুবিন গাৰ্গৰ সৈতে সাগৰলৈ সাঁতুৰিবলৈ যোৱা অসম এছ'চিয়েছনৰ ১১ জন সদস্য আৰু জুবিনৰ দলৰ ৪ জন সদস্যক অসম আৰক্ষীয়ে সোধা-পোছা কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। জুবিন গাৰ্গৰ অকাল বিয়োগৰ পৰিপ্ৰেক্ষিতত অসম লোকসেৱা আয়োগে আজি আৰু কাইলৈ হ'বলগীয়া পৰীক্ষা স্থগিত ৰাখিছে। আয়োগে প্ৰকাশ কৰা মতে, আজি হ'বলগীয়া মীন বিভাগৰ অধীনৰ কনিষ্ঠ অভিযন্তা পদৰ পৰীক্ষা স্থগিত ৰখা হৈছে। একেদৰে, কাইলৈ হ'বলগীয়া কৃষি বিভাগৰ অধীনৰ কৃষি উন্নয়ন বিষয়া পদৰ সাক্ষাৎকাৰ প্ৰক্ৰিয়া ২৫ আৰু ২৬ ছেপ্তেম্বৰলৈ পিছুৱাই দিয়া হৈছে। কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা শিল্পীগৰাকীৰ বিয়োগত ৰাজ্যিক শোক ঘোষণা কৰালৈ চাই সেৱা সপ্তাহ উপলক্ষে গ্ৰন্থবৰ্ষ, ২০২৫-ৰ সৈতে সংগতি ৰাখি প্ৰদান কৰিবলগীয়া যুৱ লেখক সন্মানৰ কাৰ্যসূচী স্থগিত ৰখা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে পৰৱৰ্তী সময়ত এই অনুষ্ঠানৰ সময় নিৰ্ধাৰণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে আজি হ'বলগীয়া বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিক মূল্যায়ন পৰীক্ষা এফ এল এন এ টি স্থগিত ৰখাৰ কথা ঘোষণা কৰিছে। ৪ লাখ ৭০ হাজাৰ প্ৰাপ্তবয়স্ক শিক্ষাৰ্থীয়ে অংশ ল'বলগীয়া এই মূল্যায়ন পৰীক্ষা অহা ১২ অক্টোবৰত অনুষ্ঠিত হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। সেৱা সপ্তাহৰ অধীনত প্ৰয়োজনীয় সেৱাৰ কাৰ্যসূচী চলি থাকিব যদিও আনুষ্ঠানিক তথা অন্যান্য লাভ বিতৰণৰ অনুষ্ঠানসমূহ স্থগিত ৰখা হ'ব।

০০০০

গীতেৰে সৰ্বস্তৰৰ জনসাধাৰণৰ হৃদয় স্পৰ্শ কৰা জনগণৰ শিল্পী জুবিন গাৰ্গৰ বিয়োগত সৃষ্টি হোৱা অপূৰণীয় শূন্যতাত অসমবাসীয়ে হাহাকাৰ কৰিছে। কালি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত জুবিন গাৰ্গৰ জনপ্ৰিয়তা আৰু তেওঁৰ দেহাৱসানে আনি দিয়া শূন্যতা সম্পৰ্কে আলোচনাত অংশ লৈ চিন্ময়ী গোস্বামীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে শিল্পীগৰাকী প্ৰতিভাৰে অসমৰ সাংগিতিক ক্ষেত্ৰত এজোপা বৰগছ সদৃশ আছিল।

**বাইট ঃ চিন্ময়ী গোস্বামী**

শিল্পীগৰাকীৰ প্ৰাক্তন ব্যৱস্থাপক জয়ন্ত বৰদলৈয়ে জুবিন গাৰ্গৰ শিল্পী জীৱনৰ আৰম্ভণিৰ সময়ছোৱাৰ কথা উল্লেখ কৰে।

**বাইট ঃ জয়ন্ত বৰদলৈ**

আই আই টি গুৱাহাটীৰ অধ্যাপক ড° উৎপল বৰাই অনুষ্ঠানটিত জুবিন গাৰ্গৰ ছাত্ৰ অৱস্থা আৰু সংগীতৰ সাধনাৰ প্ৰথমছোৱাৰ বিষয়ে উল্লেখ কৰে। সাংবাদিক হীৰেন শৰ্মা আৰু মণি মহন্তই এই অনুষ্ঠানত জুবিন গাৰ্গক সংগীতৰ ধাৰাৰ ক্ষেত্ৰত যুগস্ৰষ্টা আৰু পথ প্ৰদৰ্শনকাৰী বুলি মন্তব্য কৰে। অনুষ্ঠানত ভাস্কৰ জ্যোতি আচাৰ্য্যই কয় যে শিল্পীগৰাকীয়ে অসমৰ কেইবাটাও প্ৰজন্মক সংগীতৰ নতুন ধাৰাৰ প্ৰতি আগ্ৰহী কৰাৰ লগতে অগণন লোকৰ সংবেদনশীলতাক স্পৰ্শ কৰিছে। তেওঁ অনুষ্ঠানটিত শিল্পীগৰাকীৰ গীতো পৰিৱেশন কৰে।

**গান ঃ**

এই অনুষ্ঠানটোৰ আঁত ধৰে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ ঃঃঃঃ

.....................................